Total No. of Printed Pages—31

**2 SEM FYUGP MIN (FIN/MKT/HRM/BNI) 2**

**2026**

( May/June )

COMMERCE

( Minor )

*Full Marks* : 60 (80 for 2023 Batch)

*Time* : 2½ hours (3 hours for 2023 Batch)

*The figures in the margin indicate full marks for the questions*

Paper : MINFIN–2

**( Cost Accounting )**

**1.** তলত দিয়াবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ দিয়া : 1×6=6

Answer the following as directed :

*(a)* ব্যয় হিচাপবিদ্যাই আগতেই খৰচৰ _____ কৰাত সহায় কৰে।

( খালী ঠাই পূৰ কৰা )

Cost accounting helps in the _____ of cost beforehand.

( Fill in the blank )

(b) মেচিন চলোৱা শ্ৰমিকৰ মজুৰি _____ মেচিন চলোৱাৰ ঘণ্টাৰ ওপৰত ভিত্তি কৰি কৰা হয়।

( খালী ঠাঁই পূৰ কৰা )

In _____ machine hour rate, wages of machine operator are included.

( Fill in the blank )

(c) পুনৰ অৰ্ডাৰ স্তৰ সাধাৰণতে নিৰ্ধাৰণ কৰা হয় ন্যূনতম স্তৰ আৰু পুনৰ অৰ্ডাৰ পৰিমাণৰ/সৰ্বাধিক স্তৰ আৰু পুনৰ অৰ্ডাৰ পৰিমাণৰ/ন্যূনতম আৰু সৰ্বাধিক স্তৰৰ/আৰ্থিক অৰ্ডাৰ পৰিমাণ আৰু বিপদ স্তৰৰ।

( শুদ্ধ বিকল্পটো বাছনি কৰা )

Reorder level is normally fixed between Minimum level and Reordering quantity/ Maximum level and Reordering quantity/ Minimum and Maximum level/Economic ordering quantity and Danger level.

( Choose the correct option )

(d) পিচ-ৰেট প্ৰণালী উপযুক্ত হয় যেতিয়া উৎপাদিত সামগ্ৰীৰ মূল্য/গুণ/বিক্ৰী/পৰিমাণ-ৰ ওপৰত গুৰুত্ব দিয়া হয়।

( শুদ্ধ বিকল্পটো বাছনি কৰা )

Piece-rate system is suitable when cost/ quality/sale/quantity of goods produced is extreme importance.

( Choose the correct option )





(e) চুক্তিত থকা মূল্য বৃদ্ধি ধাৰা সাধাৰণতে কেঁচামাল আৰু শ্ৰমিকৰ মজুৰিৰ মূল্যত সম্ভাব্য পৰিৱৰ্তনৰ বিৰুদ্ধে সুৰক্ষা হিচাপে ব্যৱস্থা কৰা হয়।

( সঁচা নে মিছা লিখা )

Escalation clauses in contract are often provided a safeguard against any likely changed in price of raw materials and labour rates.

( Write True or False )

(f) ব্যয় মূল্য 30,375 টকা আৰু বিক্ৰয়ৰ ওপৰত লাভ 10%। লাভৰ পৰিমাণ গণনা কৰা।

Cost price is ₹ 30,375 and profit is 10% on sale. Calculate profit.

**2.** তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা : 3½×4=14

Write short notes on any *four* of the following :

(a) উৎপাদনমূলক সংস্থাত ব্যয় হিচাপবিদ্যাৰ ভূমিকা

Role of cost accounting in manufacturing organization

(b) উত্তম মজুৰি প্ৰণালীৰ প্ৰধান বৈশিষ্ট্যসমূহ

Essential features of good wages system

(c) স্থায়ী (পাৰপেচুৱেল) মজুত নথিপত্ৰৰ ব্যৱহাৰ

Use of perpetual inventory records

(d) প্ৰক্ৰিয়া ব্যয় গণনাৰ চাৰিটা দিশ

Four aspects of process costing

(e) কাৰখানাৰ পৰোক্ষ ব্যয়সমূহক বিভাগীয়ভাৱে বিভাজন কৰাৰ সুবিধাসমূহ

Advantages of departmentalization of factory overheads

(f) প্ৰত্যক্ষ ব্যয় আৰু পৰোক্ষ ব্যয়ৰ মাজত পাৰ্থক্য

Distinction between Direct Cost and Indirect Cost

3. (a) ব্যয় হিচাপবিদ্যা কি? "ব্যয় হিচাপবিদ্যা ব্যৱসায়ৰ আভ্যন্তৰীণ বিষয়, কিন্তু আৰ্থিক হিচাপবিদ্যা বাহ্যিক বিষয়।" এই বক্তব্যটো ব্যাখ্যা কৰা। 2+8=10

What is cost accounting? "Cost accounting is internal to the business, while financial accounting is external." Explain this statement.

**অথবা / Or**

(b) তলত দিয়া তালিকাখন নৱজ্যোতি লিমিটেডৰ লগত সম্পৰ্কিত :

The following inventory data related to Navajyoti Ltd. :

| মজুত *Stock* | আৰম্ভণি (টকা) *Opening* (₹) | সামৰণি (টকা) *Closing* (₹) |
|---|---|---|
| কেঁচামাল Raw Material | 90,000 | 95,000 |
| ক্ৰিয়াশীল প্ৰক্ৰিয়া Work-in-Progress | 70,000 | 80,000 |
| প্ৰস্তুত সামগ্ৰী Finished Goods | 1,10,000 | 95,000 |



( Continued )



অতিৰিক্ত তথ্য :

*Additional Information* :

| | (টকা) (₹) |
|---|---|
| প্ৰত্যক্ষ শ্ৰম ব্যয় Dierect Labour | 2,24,000 |
| কাৰখানাৰ ওপৰঞ্চি ব্যয় Factory Overhead | 1,67,000 |
| বিক্ৰী আৰু বিতৰণ ব্যয় Selling and Distribution Expenses | 43,500 |
| কাৰ্যালয় আৰু প্ৰশাসনিক ব্যয় Office and Administrative Expenses | 56,500 |
| বিক্ৰী হোৱা সামগ্ৰীৰ ব্যয় (প্ৰশাসনিক ব্যয় বাদ দি) Cost of Goods Sold (excluding Administrative Expenses) | 5,89,000 |

যদি সামগ্ৰীসমূহ বিক্ৰয়ৰ ওপৰত 20% লাভত বিক্ৰী কৰা হয়, তেন্তে লাভৰ পৰিমাণ গণনা কৰা। 10

Calculate the amount of profit if products are sold at a profit of 20% on sale.



( Turn Over )

4. (a) সামগ্ৰী জাৰি কৰাৰ মূল্যায়নৰ FIFO আৰু LIFO পদ্ধতি বুলি কি বুজা যায়? সামগ্ৰী জাৰি কৰাৰ মূল্য নিৰ্ধাৰণত এই দুটা পদ্ধতিত মূল্য পৰিৱৰ্তনৰ প্ৰভাৱ আলোচনা কৰা। (2+2)+(3×2)=10

What do you mean by FIFO and LIFO methods of valuation of material issues? Discuss the effects of changes in price of these two methods of pricing of material issues.

*অথবা / Or*

(b) তলত দিয়া তথ্যসমূহৰ আধাৰত, শ্ৰমিকৰ এটা দিনৰ 8 ঘণ্টাৰ ব্যয় নিৰ্ণয় কৰা : 10

From the following particulars, ascertain the labour cost per day of 8 hours :

(i) মৌলিক বেতন—প্ৰতি মাহে 200 টকা

Basic pay—₹ 200 p.m.

(ii) ছুটিৰ মজুৰি—5%

Leave pay—5%

(iii) প্ৰভিডেণ্ট ফাণ্ডলৈ নিয়োগকৰ্তাৰ অৱদান—(i) আৰু (ii)ৰ 8%

Employers contribution to Provident Fund 8% of (i) and (ii)

(iv) ESI লৈ নিয়োগকৰ্তাৰ অৱদান—(i) আৰু (ii)ৰ 2·5%

Employers contribution to ESI 2·5% of (i) and (ii)





(v) প্ৰতি কৰ্মচাৰীৰ বাবে প্ৰতি মাহে আনুপাতিক সুবিধা—17·95 টকা

Pro rata amenities—₹ 17·95 per head p.m.

(vi) এটা মাহত কাম কৰাৰ সময়—200 ঘণ্টা

Working hours in a month—200 hours

5. (a) 'ওপৰঞ্চি ব্যয়' শব্দটোৰ সংজ্ঞা দিয়া। কোনবোৰ পৰিস্থিতিত আত্মসাৎ কৰা ওপৰঞ্চি ব্যয় আৰু প্ৰকৃত ওপৰঞ্চি ব্যয়ৰ মাজত পাৰ্থক্য সৃষ্টি হয়? 4+6=10

Define the term 'overhead'. Under what circumstances difference arises between absorbed overhead and actual overhead?

*অথবা / Or*

(b) তলত দিয়া তথ্যসমূহৰ আধাৰত এটা দোকানত সংস্থাপিত এটা মেচিনৰ ঘণ্টা-হাৰ গণনা কৰা : 10

From the following details, compute the hourly rate of a machine installed in a shop :

| *বিৱৰণ/Particulars* | (টকা) (₹) |
|---|---|
| মেচিনৰ মূল্য<br>Cost of machine | 2,00,000 |
| সংস্থাপন খৰচ<br>Installation charges | 20,000 |
| আনুমানিক স্ক্ৰেপ মূল্য<br>Estimated scrap value | 10,000 |

| বিৱৰণ/*Particulars* | (টকা) (₹) |
|---|---|
| ভাড়া আৰু কৰ (প্ৰতি বছৰত) Rent and rates p.a. | 7,200 |
| দোকানৰ পোহৰ খৰচ (প্ৰতি মাহে) General lighting of the shop p.m. | 800 |
| মেচিনৰ বীমা প্ৰিমিয়াম (প্ৰতি তিনি মাহে) Insurance premium for the machine per quarter | 720 |
| মেৰামতি আৰু ৰক্ষণাবেক্ষণ ব্যয় (প্ৰতি বছৰত) Repairs and maintenance p.a. | 3,000 |

অতিৰিক্ত তথ্য :

*Additional Information* :

বিদ্যুৎ ব্যৱহাৰ প্ৰতি ঘণ্টাত 20 ইউনিট; প্ৰতি 100 ইউনিট বিদ্যুতৰ হাৰ—20 টকা; মেচিনৰ প্ৰতি বছৰৰ আনুমানিক কাৰ্য—2300 ঘণ্টা; প্ৰতি মাহে দোকান তদাৰককাৰীৰ মজুৰি—1,800 টকা। মেচিনটোৱে দোকানখনৰ মুঠ পৰিসৰৰ $\frac{1}{4}$ অংশ অধিকাৰ কৰে। মেচিন চোৱাচিতা কৰাই কৰ্মচাৰীয়ে নিজৰ সময়ৰ $\frac{1}{5}$ অংশ ব্যয় কৰে। স্বাভাৱিক অব্যৱহৃত সময় (Normal idle time)—প্ৰতি বছৰ 300 ঘণ্টা।

Power consumption 20 units per hour; rate of power per 100 units is ₹ 20; estimated working hours of the machine 2300 hours per year; shop supervisor's salary per month—₹ 1,800.





The machine occupies $\frac{1}{4}$th of the total floor area of the shop. The supervisor is expected to devote $\frac{1}{5}$th of his time for supervising the machine. Normal idle time is expected to be 300 hours per annum.

**6.** *(a)* 'ব্যয় যোগ চুক্তি' (cost plus contract) বুলিলে কি বুজা? উৎপাদক আৰু ক্ৰেতাৰ দৃষ্টিকোণৰ পৰা 'ব্যয় যোগ চুক্তি'ৰ সুফলসমূহ আলোচনা কৰা। 3+(4+3)=10

What is 'cost plus contract'? Discuss the advantages of 'cost plus contract' to the manufacturer and the buyer.

***অথবা / Or***

*(b)* এখন উৎপাদন সংস্থাৰ এটা সামগ্ৰী দুটা প্ৰক্ৰিয়া *A* আৰু *B* মাধ্যমেৰে পাৰ হৈ সমাপ্ত মজুতলৈ যায়। প্ৰতিটো প্ৰক্ৰিয়াত মুঠ ওজনৰ 5% ক্ষয় হয় আৰু 10% স্ক্ৰেপ হিচাপে ওলাই যায়। প্ৰক্ৰিয়া *A* আৰু *B*-ত উৎপন্ন হোৱা স্ক্ৰেপৰ মূল্য প্ৰতি টনত ক্ৰমে 80 টকা আৰু 200 টকা। দুয়োটা প্ৰক্ৰিয়াৰ সৈতে সম্পৰ্কিত তথ্যসমূহ তলত দিয়া হ'ল :

A product of a manufacturing concern passes through two processes *A* and *B* and then to finished stock. It is ascertained that in each process 5% of the total weight is lost and 10% is

scrap, which from processes *A* and *B* realizes ₹ 80 per ton and ₹ 200 per ton respectively. The following are the figures relating to both the processes :

| *বিৱৰণ* / *Particulars* | *প্ৰক্ৰিয়া—A* / *Process—A* | *প্ৰক্ৰিয়া—B* / *Process—B* |
|---|---|---|
| কেঁচামাল (টন) / Raw material (ton) | 1000 | 70 |
| কেঁচামালৰ ব্যয় (টকা প্ৰতি টনত) / Cost of raw materials (₹ per ton) | 125 | 200 |
| মজুৰি (টকা) / Wages (₹) | 28,000 | 10,000 |
| উৎপাদন ব্যয় (টকা) / Manufacturing expenses (₹) | 8,000 | 5,250 |
| উৎপাদন (টন) / Output (ton) | 830 | 780 |

প্ৰত্যেক প্ৰক্ৰিয়াৰ বাবে প্ৰক্ৰিয়া ব্যয় হিচাপ (Process Cost Accounts) প্ৰস্তুত কৰি প্ৰতি টনৰ ব্যয় নিৰ্ণয় কৰা। কোনো প্ৰক্ৰিয়াত ক্ৰিয়াশীল প্ৰক্ৰিয়া থকা নাছিল। $5 \times 2 = 10$

Prepare the Process Cost Accounts showing cost per ton of each process. There was no work-in-progress in any process.





**( ২০২৩ বৰ্ষৰ পৰীক্ষাৰ্থীৰ বাবে অতিৰিক্ত ২০ নম্বৰ )**

**( Additional 20 marks for 2023 Batch )**

**7.** *(a)* ব্যয় হিচাপ আৰু বিত্তীয় হিচাপৰ মাজত থকা পাৰ্থক্য লিখা। 10

Write down the differences between Cost Accounting and Financial Accounting.

***অথবা / Or***

*(b)* ব্যয় ধাৰণা আৰু ব্যয়ৰ শ্ৰেণীবিভাজন উদাহৰণসহ বৰ্ণনা কৰা।

Describe cost concepts and classification of cost with examples.

**8.** *(a)* ব্যয় হিচাপত সামগ্ৰীৰ ক্ষতি (স্বাভাৱিক আৰু অস্বাভাৱিক) ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা কৰা। 10

Explain the treatment of material losses (normal and abnormal) in Cost Accounting.

***অথবা / Or***

*(b)* কাৰ্যকলাপ-ভিত্তিক ব্যয় সম্পৰ্কে আলোচনা কৰা আৰু পৰম্পৰাগত ব্যয়ৰ সৈতে ABC (কাৰ্যকলাপ-ভিত্তিক ব্যয়)ৰ তুলনা কৰা।

Discuss activity-based costing and compare ABC with traditional costing.

## Paper : MINMKT–2

### ( Advertising Management )

**1.** সঠিক উত্তৰটো বাছনি কৰা : 1×6=6

Choose the correct answer :

*(a)* বিজ্ঞাপন হ'ল এক প্ৰকাৰৰ

Advertising is a form of

*(i)* ব্যক্তিগত বিক্ৰী

personal selling

*(ii)* অব্যক্তিগত যোগাযোগ

non-personal communication

*(iii)* প্ৰত্যক্ষ বিপণন

direct marketing

*(iv)* বিক্ৰীৰ প্ৰচাৰ

sales promotion

*(b)* AIDA মডেলৰ অৰ্থ

The AIDA model stands for

*(i)* মনোযোগ, আগ্ৰহ, ইচ্ছা, কৰ্ম

Attention, Interest, Desire, Action

*(ii)* সজাগতা, তথ্য, চাহিদা, কৰ্ম

Awareness, Information, Demand, Action





*(iii)* কৰ্ম, আগ্ৰহ, চাহিদা, সজাগতা

Action, Interest, Demand, Awareness

*(iv)* ওপৰৰ কোনোটোৱেই নহয়

None of the above

*(c)* কপিৰাইটিং মূলতঃ কোন বিষয়সমূহৰ সৈতে জড়িত?

Copywriting mainly deals with

*(i)* সংবাদ মাধ্যমৰ ক্ৰয়

media buying

*(ii)* সৃষ্টিশীল বাৰ্তা লিখা

creative message writing

*(iii)* বাজেট প্ৰস্তুত কৰা

budgeting

*(iv)* বজাৰ গৱেষণা

market research

*(d)* তলৰ কোনটো বিজ্ঞাপনৰ মাধ্যম?

Which of the following is a media of advertising?

*(i)* টেলিভিছন

Television

(ii) বাতৰিকাকত

Newspaper

(iii) ইণ্টাৰনেট

Internet

(iv) ওপৰৰ সকলোবোৰ

All of the above

(e) বিজ্ঞাপনৰ মূল উদ্দেশ্য হ'ল

The main objective of advertising is to

(i) খৰচ কম কৰা

reduce cost

(ii) লাভ বৃদ্ধি কৰা

increase profit

(iii) সজাগতা আৰু বুজাবুজিৰ সৃষ্টি কৰা

create awareness and persuasion

(iv) প্ৰতিযোগিতা নাইকিয়া কৰা

eliminate competition



( Continued )



(f) ব্ৰেণ্ড ইমেজৰ অৰ্থ হৈছে

Brand image refers to

(i) কোম্পানীৰ ল'গ'

company logo

(ii) এটা ব্ৰেণ্ডৰ প্ৰতি গ্ৰাহকৰ ধাৰণা

consumer perception of a brand

(iii) সামগ্ৰীৰ পেকেজিং

product packaging

(iv) বিক্ৰীৰ পৰিমাণ

sales volume

2. তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো তিনিটা) : 4×3=12

Answer the following questions (any *three*) :

(a) বিজ্ঞাপনৰ মূল উদ্দেশ্য উল্লেখ কৰা।

Mention the main objectives of advertising.

(b) বিজ্ঞাপনৰ আবেদনৰ প্ৰকাৰসমূহ কি কি?

What are the types of advertising appeals?

(c) বিজ্ঞাপন সংস্থাৰ ভূমিকা উল্লেখ কৰা।

Mention the role of advertising agencies.



( Turn Over )

(d) মাধ্যম পৰিকল্পনাৰ ওপৰত এটা টোকা লিখা।

Write a note on media planning.

(e) বিজ্ঞাপনত নৈতিকতা কি?

What is ethics in advertising?

3. (a) বিজ্ঞাপনৰ সংজ্ঞা লিখা আৰু উপযুক্ত উদাহৰণসহ বিজ্ঞাপনত সিদ্ধান্ত গ্ৰহণক প্ৰভাৱিত কৰা মুখ্য উপাদানসমূহ ব্যাখ্যা কৰা। 3+8=11

Define advertising and explain the major factors influencing decision-making in advertising with suitable examples.

অথবা / Or

(b) বিজ্ঞাপন পৰিকল্পনা কি? এটা ফলপ্ৰসূ বিজ্ঞাপন পৰিকল্পনা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত জড়িত বিভিন্ন ধাপসমূহ বিস্তৃতভাৱে ব্যাখ্যা কৰা। 3+8=11

What is advertising planning? Explain in detail the various steps involved in developing an effective advertising plan.





4. (a) সংহত বিপণন যোগাযোগৰ ধাৰণা ব্যাখ্যা কৰা। সংহত বিপণন যোগাযোগৰ বিভিন্ন উপাদানসমূহ আলোচনা কৰা। 3+8=11

Describe the concept of integrated marketing communication (IMC). Explain the different elements of integrated marketing communication.

অথবা / Or

(b) ব্ৰেণ্ড পজিচনিঙৰ ধাৰণা ব্যাখ্যা কৰা আৰু ফলপ্ৰসূ ব্ৰেণ্ড পজিচনিং লাভ কৰাৰ বাবে ব্যৱহৃত কৌশলসমূহ আলোচনা কৰা। 4+7=11

Explain the concept of brand positioning and discuss the strategies used to achieve effective brand positioning.

5. (a) বিজ্ঞাপন বাৰ্তা কৌশলৰ ধাৰণা ব্যাখ্যা কৰা। বিজ্ঞাপন বাৰ্তা নক্সাক প্ৰভাৱিত কৰা উপাদানসমূহ আলোচনা কৰা। 2+8=10

Explain the concept of advertising message strategy. Discuss the factors influencing advertising message design.

অথবা / Or

(b) বিজ্ঞাপন যোগাযোগত গ্ৰাহক প্ৰতিক্ৰিয়া মডেল AIDAৰ বিভিন্ন পৰ্যায়সমূহ আলোচনা কৰা। 10

Discuss the different stages of the consumer response model AIDA in advertising communication.

6. *(a)* মাধ্যম পৰিকল্পনা আৰু মাধ্যম নিৰ্বাচন আলোচনা কৰা। মাধ্যম নিৰ্বাচনত প্ৰভাৱ পেলোৱা কাৰকসমূহ ব্যাখ্যা কৰা। (2+2)+6=10

Discuss media planning and media selection. Explain the factors influencing media choice.

*অথবা / Or*

*(b)* মিডিয়া বাজেটিং ব্যাখ্যা কৰা। বিজ্ঞাপন বাজেট নিৰ্ধাৰণৰ বিভিন্ন পদ্ধতিসমূহ আলোচনা কৰা। 3+7=10

Explain media budgeting. Discuss the various methods of determining the advertising budget.

( ২০২৩ বৰ্ষৰ পৰীক্ষাৰ্থীৰ বাবে অতিৰিক্ত ২০ নম্বৰ )

**( Additional 20 marks for 2023 Batch )**

7. *(a)* Word-of-Mouth Advertising কি? WOM আৰু e-WOMৰ মাজত পাৰ্থক্য কি? 5+5=10

What do you understand by Word-of-Mouth Advertising? What is the difference between WOM and e-WOM?



( Continued )



*অথবা / Or*

*(b)* মনোযোগ (attention) কি? মনোযোগ (attention) আৰু বোধগম্যতা (comprehension)ৰ মাজত পাৰ্থক্য কি? 4+6=10

What do you understand by attention? What is the difference between Attention and Comprehension?

8. চমু টোকা লিখা (যি কোনো দুটা) : 5×2=10

Write short notes on (any *two*) :

*(a)* ডাগমাৰ

DAGMAR

*(b)* সুবিধা প্ৰদানকাৰী সংস্থাসমূহ

Facilitating Agencies

*(c)* সম্প্ৰচাৰ মাধ্যম

Broadcast Media

*(d)* কপিৰাইটিং

Copywriting



( Turn Over )

## Paper : MINHRM–2

### ( Labour Welfare )

**1.** সঁচা নে মিছা লিখা : 1×4=4

Write True or False :

*(a)* চাকৰিৰ পৰা আঁতৰত প্ৰশিক্ষণৰ অন্যতম উল্লেখযোগ্য পদ্ধতি হ'ল চাকৰিৰ ঘূৰণীয়া পদ্ধতি।

Job rotation is one of the significant off-the-job methods of training.

*(b)* প্ৰতিবন্ধী শ্ৰমিক হ'ল সেইসকল, যাৰ শাৰীৰিক বা মানসিক ক্ষমতাৰ অভাৱ বা সীমাবদ্ধতাৰ বাবে কৰ্মসংস্থাপন লাভ আৰু ধৰি ৰখাৰ সুযোগ সীমিত হৈ থাকে।

Disabled labourers are those whose opportunities to obtain and hold employment are restricted by either a lack or limitation in their physical or mental capabilities.

*(c)* কল্যাণমূলক পুঁজি হৈছে চৰকাৰ, সংস্থা বা নিয়োগকৰ্তাই আৰ্তজনক সহায়, সহায় বা সুবিধা প্ৰদান কৰিবলৈ স্থাপন কৰা আৰ্থিক সম্পদ।

Welfare funds are financial resources established by governments, organizations or employers to provide assistance, support or benefits to individuals in need.





*(d)* সামাজিক বীমাৰ আঁচনিসমূহৰ বিত্তীয় সাহায্য কেৱল কৰ্মচাৰীসকলে দিয়া অৱদানৰ দ্বাৰা কৰা হয়।

Schemes of social insurance are financed by contributions made by only the employees.

**2.** তলৰ যি কোনো চাৰিটাৰ ওপৰত চুটি টোকা লিখা : 6×4=24

Write short notes on any *four* of the following :

*(a)* শ্ৰমিকৰ শিক্ষাৰ উদ্দেশ্যসমূহ

Objectives of worker's education

*(b)* শ্ৰমিকৰ প্ৰশিক্ষণৰ পদ্ধতিসমূহ

Methods of worker's training

*(c)* ঔদ্যোগিক দুৰ্ঘটনাৰ কাৰণসমূহ

Causes of industrial accidents

*(d)* ভাৰতত কৃষি শ্ৰমৰ বৃদ্ধিৰ কাৰণসমূহ

Causes of growth of agricultural labour in India

*(e)* সামাজিক সাহায্যৰ বৈশিষ্ট্যসমূহ

Features of social assistance

3. (a) শ্ৰমিক কল্যাণ বুলি আপুনি কি বুজি পায়? শ্ৰমিক কল্যাণৰ উদ্দেশ্য চমুকৈ বুজাই দিয়া। 2+8=10

What do you understand by labour welfare? Briefly explain the objectives of labour welfare.

*অথবা* / *Or*

(b) ব্যক্তিসকলৰ জীৱনৰ মান উন্নত কৰাৰ বাবে প্ৰদান কৰা বিধিগত আৰু স্বেচ্ছামূলক কল্যাণমূলক ব্যৱস্থাসমূহৰ বিষয়ে বিতংভাৱে বৰ্ণনা কৰা। 5+5=10

Describe in detail the statutory and voluntary welfare measures provided to individuals to improve their quality of life.

4. (a) কাৰখানা আইন, 1948 অনুসৰি স্বাস্থ্যৰ বিধানসমূহ বিশদভাৱে উল্লেখ কৰা। 11

Elaborate the provisions of health as per the Factories Act, 1948.

*অথবা* / *Or*

(b) কাউন্সেলিঙৰ দ্বাৰা আপুনি কি বুজি পায়? বিভিন্ন ধৰণৰ কাউন্সেলিঙৰ বিষয়ে চমুকৈ বুজাই দিয়া। 4+7=11





What do you understand by counselling? Explain briefly the different types of counselling.

5. (a) মহিলা শ্ৰমিকৰ ধাৰণা আৰু ভাৰতৰ বিভিন্ন আইনৰ অধীনত মহিলা শ্ৰমিকৰ বাবে থকা ব্যৱস্থাসমূহ ব্যাখ্যা কৰা। 3+8=11

Explain the concept of female workers and the provisions for female workers under various Acts in India.

*অথবা* / *Or*

(b) সামাজিক সুৰক্ষা বুলিলে কি বুজোৱা হয়? ভাৰতত সামাজিক সুৰক্ষাৰ পৰিসৰৰ বিষয়ে আলোচনা কৰা। 3+8=11

What is meant by social security? Discuss the scope of social security in India.

**( ২০২৩ বৰ্ষৰ পৰীক্ষাৰ্থীৰ বাবে অতিৰিক্ত ২০ নম্বৰ )**

**( Additional 20 marks for 2023 Batch )**

6. (a) ফলপ্ৰসূ পৰামৰ্শৰ নীতিসমূহ ব্যাখ্যা কৰা। 10

Explain the principles of an effective counselling.

অথবা / Or

(b) ভাৰতত সামাজিক সুৰক্ষাৰ অৱস্থাৰ বিষয়ে আলোচনা কৰা।

Discuss the status of social security in India.

7. (a) ভাৰতীয় কাৰখানা আইন, 1948 অনুসৰি শ্ৰমিকৰ স্বাস্থ্যৰ বিষয়ে আলোচনা কৰা। 10

Discuss the health of workers as per the Factories Act, 1948 in India.

অথবা / Or

(b) শিশু শ্ৰমিক আইনৰ বিধানসমূহ ব্যাখ্যা কৰা।

Explain the provisions of the Child Labour Act.





Paper : MINBNI-2

**( Principles of Insurance )**

1. তলত দিয়াবোৰৰ নিৰ্দেশ অনুসৰি উত্তৰ লিখা : 1×8=8

Answer the following as directed :

(a) জীৱন বীমাক বাদ দি অন্যান্য বীমাৰ সৰ্বাধিক ম্যাদ

Except life assurance, the maximum term of other insurance is

(i) 12 মাহ/months

(ii) 24 মাহ/months

(iii) 6 মাহ/months

(iv) 36 মাহ/months

( শুদ্ধ উত্তৰটো বাচি উলিওৱা )

( Choose the correct answer )

(b) যিজন ব্যক্তিয়ে বিপদ সম্ভাৱনাৰ পৰা উদ্ভৱ হোৱা ক্ষতি পূৰণ কৰাৰ সম্মতি দিয়ে তেখেতকে ____ বুলি কোৱা হয়।

( খালী ঠাই পূৰণ কৰা )

The person who agrees to compensate the loss arising from the risk is called ____.

( Fill in the blank )

(c) জীৱন বীমা পত্ৰ হস্তান্তৰকৰণৰ অৰ্থ হৈছে

Assignment of life policy means

(i) হস্তান্তৰ গ্ৰহিতালৈ স্বৰ্ত হস্তান্তৰ কৰা

transferring rights to the assignee

(ii) বীমা পত্ৰৰ অধিকাৰীয়ে আদায়ীকৃত মূল্য লাভ কৰাৰ যোগ্য হয়

policyholder is entitled to the paid-up value

(iii) সমৰ্পিত মূল্যতকৈ আদায়ীকৃত মূল্য সদায় অধিক হয়

paid-up value is always higher than surrender value

( শুদ্ধ উত্তৰটো বাচি উলিওৱা )

( Choose the correct answer )

(d) ভাৰতীয় জীৱন বীমা নিগম ____ চনত ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল।

( খালী ঠাই পূৰণ কৰা )

The Life Insurance Corporation of India was nationalized in the year ____.

( Fill in the blank )





(e) মৃত্যুৰ বিপদ সম্ভাৱনা বীমাকৰণ ব্যৱস্থাক বীমা চুক্তি বুলি কোৱা হয়।

( শুদ্ধ নে অশুদ্ধ লিখা )

Risk insured against death is a contract of assurance.

( Write True or False )

(f) ভাৰতবৰ্ষৰ বৰ্তমানৰ জীৱন বীমা ব্যৱস্থাটো ইংলেণ্ডৰ পৰা আহিছে।

( শুদ্ধ নে অশুদ্ধ লিখা )

Life insurance in its present form came to India from England.

( Write True or False )

(g) যানবাহনৰ বীমা পত্ৰক বাণিজ্যিক বীমা পত্ৰ হিচাপে গণ্য কৰা হয়।

( শুদ্ধ নে অশুদ্ধ লিখা )

Motor insurance policy is treated as a commercial insurance policy.

( Write True or False )

(h) বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন কৰ্তৃপক্ষ আইন কোন চনত প্ৰণয়ন হৈছিল?

In which year, the Insurance Regulatory and Development Association Act was passed?

2. তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ ওপৰত চমু টোকা লিখা : 3×4=12

Write short notes on any *four* of the following :

(a) সমৰ্পণ মূল্য

Surrender value

(b) সন্নিহিত কাৰণ

Proximate cause

(c) দল বীমা

Group insurance

(d) দ্বৈত বা দ্বিগুণ বীমা

Double insurance

(e) অবলেখন

Underwriting

(f) ক্ষতিপূৰণৰ নীতি

Principle of indemnity

3. এখন দেশৰ অৰ্থনৈতিক উন্নয়নত বীমা খণ্ডৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা। 10

Discuss the role of insurance sector in economic development of a country.





অথবা / Or

বীমা কিস্তি কি? বীমা কিস্তিৰ পৰিমাণ জীৱন বীমাত কেনেকৈ নিৰ্ণয় কৰা হয়? 3+7=10

What is premium? How is the rate of premium determined in life insurance?

4. বীমাৰ মূল সূত্ৰসমূহ ব্যাখ্যা কৰা। 10

Explain the fundamental principles of insurance.

অথবা / Or

অত্যন্ত সৰল বিশ্বাসৰ সংজ্ঞা দিয়া। বীমাৰ বাবে ইয়াৰ আৱশ্যকতা সম্পৰ্কে আলোচনা কৰা। 2+8=10

Define utmost good faith. Describe its necessity in insurance.

5. বীমা বজাৰত উপলব্ধ বিভিন্ন প্ৰকাৰৰ বাৰ্ষিকী আঁচনিসমূহৰ বিষয়ে ব্যাখ্যা কৰা। 10

Explain the different types of annuity plans available in the insurance market.

অথবা / Or

পৰম্পৰাগত বীমা আঁচনি আৰু ইউনিট-লিংকড বীমা আঁচনিৰ মাজত পাৰ্থক্যবোৰ লিখা।

Distinguish between the Traditional Insurance Policy and Unit-linked Insurance Policy.

6. বীমা বজাৰৰ বীমাৰ মধ্যস্থতাকাৰীৰ ভূমিকা আলোচনা কৰা। 10

Discuss the role of insurance intermediaries in insurance market.

*অথবা* / ***Or***

বীমা নিয়ন্ত্ৰণ আৰু উন্নয়ন কৰ্তৃপক্ষৰ কৰ্তব্য আৰু ক্ষমতাসমূহ চমুকৈ আলোচনা কৰা।

Discuss briefly the duties and powers of the Insurance Regulatory and Development Association.

**( ২০২৩ বৰ্ষৰ পৰীক্ষাৰ্থীৰ বাবে অতিৰিক্ত ২০ নম্বৰ )**

**( Additional 20 marks for 2023 Batch )**

7. জীৱন বীমা আৰু অজীৱন বীমা আঁচনিৰ বীমাযোগ্য স্বাৰ্থৰ ভূমিকা কি, আলোচনা কৰা। 10

Discuss the role of insurable interest in respect of life and non-life insurance policy.

*অথবা* / ***Or***

আজীৱন বীমা পত্ৰ আৰু মেয়াদী বীমা পত্ৰৰ বিষয়ে বৰ্ণনা কৰা।

Describe the whole life policy and term policy.





8. জীৱন বীমাত বীমাকৰ্তাই বিপদ সম্ভাৱনা নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত বিবেচনা কৰা বিভিন্ন উপাদানসমূহ আলোচনা কৰা। 10

Discuss the various factors considered by the insurer in determination of risk in life insurance.

*অথবা* / ***Or***

বীমাৰ প্ৰধান কাৰ্যক্ৰমসমূহ বৰ্ণনা কৰা।

Explain the main functions of insurance.

★★★